, ১ ডিচেম্বৰ ২০২৪ নিয়মীয়া বাৰ্তা

# দিছপুৰ কলেজলৈ নাকৰ এ গ্ৰেড স্বীকৃতি



গুৱাহাটী, ৩০ নৱেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান দিছপুৰ মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যাৰ্পন পৰিষদ চমুকৈ নাকৰ দ্বাৰা এ গ্ৰেড প্ৰদান কৰা হৈছে। উক্ত বাতৰিয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলকো উৎফুল্লিত কৰে। যোৱা ১৫ পৃষ্ঠাত

# দিছপুৰ কলেজলৈ নাকৰ এ গ্ৰেড

জুলাই মাহত স্ব-অধ্যয়ন প্ৰতিবেদন (এছএছআৰ) দাখিল কৰা মহাবিদ্যালয়ত ১৮ আৰু ১৯ তাৰিখে অধ্যাপক এন ভি কল্যাণকৰ প্ৰাক্তন উপাচাৰ্য, গণ্ডু বানা বিশ্ববিদ্যালয়, মহাৰাষ্ট্ৰ, প্ৰফেছৰ নিলেশ অৰোৰা, অধ্যাপক, চণ্ডীগড় বিশ্ববিদ্যালয় আৰু ড° সংযুক্তা মহাপাত্ৰ, প্ৰাক্তন অধ্যক্ষ, শৈলবালা মহিলা মহাবিদ্যালয়, কটকৰ দ্বাৰা গঠিত নাক সহকৰ্মী দলে ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু মূল্যায়ন কৰে। মূল্যায়নৰ অন্তত সাতটা ক্ষেত্ৰত মহাবিদ্যালয়খনে আগবঢ়োৱা উল্লেখনীয় অৱদান আৰু কৃতকাৰ্যৰ বাবে নাকে উক্ত গ্ৰেড প্ৰদান কৰে। মহাবিদ্যালয়খনৰ এই উল্লেখনীয় সফলতাত সক্ৰিয় সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসৰ লগতে সদস্যসকল, প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ সন্মিলনী, অভিভাৱক সংস্থা, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, এন চি চি কেডেট, এন এছ এছৰ স্বেচ্ছাসেৱক আদিকে প্ৰমুখ্য কৰি সকলো শুভাকাংক্ষী আৰু সহযোগী অংশীদাৰক মহাবিদ্যালয়খনৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। উল্লেখনীয় যে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° সুনীতা আগৰৱালা, সহকাৰী সমন্বয়কদ্বয় ড° শিখাজ্যোতি ডেকা আৰু ড° স্মৃতি দেউৰী, প্ৰাক্তন সমন্বয়ক ড° অজয় মিত্ৰৰ লগতে অন্যান্য মাপকাঠী সমন্বয়কসকলৰ নেতৃত্বত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষৰ তত্বাৱধানত চলা নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন অৰ্জন কৰা এই সফলতাই অনুষ্ঠানটোৰ লগত জড়িত সকলোকে আনন্দিত কৰিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ অনন্য পাৰদৰ্শিতা আৰু সক্ৰিয় ভূমিকাই নাকৰ প্ৰতিনিধি দলটোত অহা সদস্যসকলৰ ভূয়সী প্ৰশংসা লাভ কৰে।